**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-03-2024
**Time :** 1715 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

**:::::::::::::::::::::::::::::::::::**

## HEADLINES

লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে সমষ্টিয়ে সমষ্টিয়ে ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। বিশেষকৈ অহা ১৯ এপ্ৰিলত ৫টা সমষ্টিত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে ব্যাপক নিৰ্বাচনী প্ৰচাৰ চলাইছে। যোৰহাট লোকসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী গৌৰৱ গগৈয়ে আজি চৰাইদেউ জিলাৰ মাহমৰাত নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে। জিলাখনৰ আনকেইবাটাও স্থানত অনুষ্ঠিত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি কংগ্ৰেছ প্ৰাৰ্থীগৰাকীয়ে প্ৰচাৰ চলায়। দলীয় সমৰ্থকে শ্ৰীগগৈক মটৰচাইকেল সমদলেৰে আদৰি নিয়ে। কাজিৰঙা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী ৰ'জলীনা তিৰ্কীয়ে গোলাঘাটৰ মেৰাপানীত থকা তৰাণি ক'লাজান নামঘৰত সেৱা আগবঢ়ায়। দলীয় নেতা-কৰ্মীক লগত লৈ প্ৰাৰ্থীগৰাকীয়ে মেৰাপানীৰ বিভিন্ন অঞ্চলত নিৰ্বাচনী প্ৰচাৰ চলায়। নগাঁও সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈও নগাঁও নগৰত নিৰ্বাচনী প্ৰচাৰ চলায়। ইপিনে শোণিতপুৰ লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী ৰঞ্জিৎ দত্তই ঢেকীয়াজুলিৰ বৰচলাত অনুষ্ঠিত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। এই সভাখনত মন্ত্ৰী অশোক সিংঘলো উপস্থিত থাকে। কাজিৰঙা সমষ্টিৰ বিজেপি প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছাৰ হৈ মন্ত্ৰী অজন্তা নেওগে নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে।

ooooo

শোণিতপুৰ লোকসভা সমষ্টিৰ অহা ১৯ এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনৰ প্ৰাৰ্থীৰূপে মনোনয়ন দাখিল কৰা ৯ গৰাকী প্ৰাৰ্থীৰ ভিতৰত এগৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ আজি পৰীক্ষা কৰাৰ পাছত নাকচ কৰা হয়। শোণিতপুৰ জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত আজি মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰাৰ পাছত নিৰ্দলীয় প্ৰাৰ্থী মহেন্দ্ৰ ওৰাঙৰ মনোনয়ন নাকচ কৰে। উল্লেখযোগ্য যে কাইলৈ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিনা চূড়ান্ত প্ৰাৰ্থীৰ তালিকা প্ৰকাশ পাব।

ooooo

অহা ১৯ এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া লখিমপুৰ লোকসভা সমষ্টিৰ নিৰ্বাচনৰ ভোটগ্ৰহণৰ বাবে ইয়াৰ অন্তৰ্গত শদিয়া বিধানসভা সমষ্টিৰ জনসাধাৰণৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি শদিয়া জিলা নিৰ্বাচন বিষয়াৰ কাৰ্যালয়ে মহকুমাধিপতি কাৰ্যালয়ত দুটা টেলিফোনৰ সৈতে নিৰ্বাচনী নিয়ন্ত্ৰণ কক্ষ মুকলি কৰিছে। নিৰ্বাচনী নিয়ন্ত্ৰণী কক্ষটোৰ টেলিফোন নম্বৰ দুটা হ'ল 037561950 আৰু 03612724230 নিৰ্বাচন সম্পৰ্কীয় যিকোনো তথ্য এই দুটা টেলিফোন নম্বৰ যোগে ৰাইজে জনাব বা জানিব পাৰিব বুলি জনসংযোগ বিভাগে প্ৰকাশ কৰিছে। ৰাইজৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি দিনটোৰ ২৪ ঘণ্টাই ফোন নম্বৰ মুকলি ৰখা হ'ব।

ooooo

কাৰ্বি আংলং জিলা নিৰ্বাচন বিভাগে অহা ২৬ এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ ডিফু লোকসভা সমষ্টিৰ ভোটাৰক ভোটদানৰ প্ৰতি আকৰ্ষিত কৰিবলৈ ৰচবিপ' আৰু ইক-নী নামেৰে শুভংকৰ প্ৰতীক প্ৰস্তুত কৰি উলিয়াইছে। ডিফু লোকসভা সমষ্টিত ভোটদানৰ হাৰ বৃদ্ধি কৰাৰ উদ্দেশ্যে শুভংকৰ লগত লৈ ভোটদানৰ প্ৰতি সজাগতা বৃদ্ধি কৰা পৰিলক্ষিত হৈছে।

০০০০০

অসম সত্ৰ মহাসভা, সত্ৰীয়া সংস্কৃতিৰ চৰ্চা কেন্দ্ৰ, পৰীক্ষা পৰিষদ আৰু অসম সত্ৰ মহাসভা সাংস্কৃতিক মহাবিদ্যালয়ৰ যৌথ উদ্যোগত আজি মাজুলীৰ নতুন কমলাবাৰী সত্ৰত কেন্দ্ৰীয় চৰকাৰৰ  সাংস্কৃতিক মন্ত্ৰালয়ৰ সংগীত নাটক একাডেমী বঁটা প্ৰাপক মাজুলীৰ চাৰিগৰাকী ব্যক্তিক ৰাজহুৱাভাৱে সম্বৰ্ধনা জনোৱা হয়। অসম সত্ৰ মহাসভাৰ সচিব কুসুম কুমাৰ মহন্তৰ সঞ্চালনাত অনুষ্ঠিত এই সম্বৰ্ধনা অনুষ্ঠানত মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ নিৰোদ বৰুৱাই ভবেন বৰা বৰবায়ন, কৰণা বৰা, মুকুন্দ শইকীয়া আৰু গোবিন্দ শইকীয়াক সম্বৰ্ধনা জনায়।

০০০০০

কেন্দ্ৰীয় চৰকাৰে অসমত চাৰিখন জিলাত সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইনৰ ম্যাদ ছমাহলৈ বৃদ্ধি কৰিছে। ১ এপ্ৰিলৰ পৰা ছমাহলৈ অশান্ত অঞ্চল হিচাপে চিহ্নিত কৰা অসমৰ জিলা চাৰিখন হ'ল তিনিচুকীয়া, চৰাইদেউ, শিৱসাগৰ আৰু ডিব্ৰুগড়। ইপিনে নাগালেণ্ডৰ ৮খন জিলাত আৰু অৰুণাচল প্ৰদেশৰ ৩খন জিলাত সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইনৰ ম্যাদ আৰু ছমাহলৈ বৃদ্ধি কৰা হৈছে। নাগালেণ্ডৰ ৮খন জিলাৰ ২১খন থানাৰ অন্তৰ্গত অঞ্চলসমূহৰ লগতে অৰুণাচল প্ৰদেশৰ ৩ খন থানাৰ অন্তৰ্গত অঞ্চলসমূহ আইনখনৰ আঁওতাত থাকিব। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ পৰা এখন জাননীযোগে কোৱা হৈছে যে নাগালেণ্ডৰ ডিমাপুৰ, নিউলেণ্ড, চুমৌকেডিমা, মন, কিফিৰে, নকলাক, ফেক আৰু পেৰেন জিলা তথা আন ৫ খন জিলাৰ ২১ খন থানাৰ অন্তৰ্গত অঞ্চলসমূহত ছমাহৰ বাবে বিক্ষিপ্ত অঞ্চল হিচাপে ঘোষণা কৰা হৈছে।

০০০০০

ঃসমাপ্তঃ